# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১।  ৭০ শতাংশতকৈ অধিক ভোটদানেৰে বিহালী, চামগুৰি, চিদলী, বঙাইগাঁও আৰু ঢলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাবে সম্পন্ন।

২।  ৰাজ্যৰ শিক্ষা বিভাগৰ বিদ্যালয় পৰ্যায়ত খালী হৈ থকা ১৫হাজাৰ ২৬৫ টা শিক্ষক পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ।

৩।  আজি শিশু দিৱস। ৰাজ্যৰ বিভিন্ন স্থানত বিশেষ কাৰ্যসূচীৰ আয়োজন।

৪।  ব্ৰিটিছ উপন্যাসিক ছামান্থা হাৰ্ভেলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা।  **আৰু**

৫।  দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অনুষ্ঠিত চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ভাৰতৰ জয়।

০০০০০০

ৰাজ্যৰ ৫টা সমষ্টিত কালি অনুষ্ঠিত উপ-নিৰ্বাচন সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ অনুষ্ঠিত হয়। কোনো কোনো স্থানত দুই এটা বিক্ষিপ্ত ঘটনা সংঘটিত হয় যদিও এনে ঘটনাই ভোটগ্ৰহণ প্ৰক্ৰিয়াত কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। নিৰ্বাচন অনুষ্ঠিত বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই সমষ্টিৰ ভোটগ্ৰহণ কালি বিয়লি ৫ বজাত সামৰণি পৰে। চামগুৰি সমষ্টিত সৰ্বাধিক আৰু বঙাইগাঁও সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে চামগুৰি সমষ্টিত ৭৯ শতাংশ, বিহালী সমষ্টিত ৭৪ শতাংশ, ধলাই সমষ্টিত ৭৩ শতাংশ, চিদলী সমষ্টিত ৭৫ শতাংশ আৰু বঙাইগাঁও সমষ্টিত ৭২ শতাংশ ভোটদান হয়।

কালি ভোটগ্ৰহণৰ লগে লগে ৩৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হৈছে। ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজেৰে ষ্ট্ৰং ৰুমত ৰখা হৈছে। আমাৰ চিৰাঙৰ সংবাদদাতাই জনোৱা অনুসৰি চিদলী বিধানসভা সমষ্টিত এইবাৰ তিনিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপিৰ নিৰ্মল কুমাৰ ব্ৰহ্মই ভৱানীপুৰ প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত, বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে, পশ্চিম ঠুনকুবাৰী প্ৰাথমিক বিদ্যালয় কেন্দ্ৰত আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ সঞ্জীৱ ওৱাৰীয়ে ৰুণীখাটা হাইস্কুল কেন্দ্ৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। সমষ্টিটোত ২৭৩টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান সম্পন্ন হয়।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে বিদ্যালয় পৰ্যায়ত খালী হৈ থকা ১৫ হাজাৰ ২৬৫টা শিক্ষক পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ২০২৩ চনৰ ডিচেম্বৰ মাহত বিজ্ঞাপন প্ৰকাশ হোৱা ৫ হাজাৰ ৫৫০টা প্ৰাথমিক শিক্ষক পদ পূৰণৰ বাবে প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পাছত মাধ্যমিক পৰ্যায়ত শিক্ষকৰ অভাৱ দূৰ কৰিবলৈ শিক্ষা বিভাগে ৯

হাজাৰ ৭১৭টা পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছে। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে মাধ্যমিক স্তৰত চৰকাৰী আৰু প্ৰাদেশিকৃত বিদ্যালয়ত স্নাতকোত্তৰ আৰু স্নাতক শিক্ষকৰ পদত নিযুক্তিৰ বাবে আবেদনৰ সময় বৃদ্ধি কৰিছে। বৰ্ধিত সময় অনুসৰি অনলাইনৰ জৰিয়তে প্ৰাৰ্থীসকলে অহা ২০ নৱেম্বৰৰ মাজনিশা পৰ্যন্ত আবেদন জনাব পাৰিব। শিক্ষা সঞ্চালকালয়ে স্নাতকোত্তৰ হিন্দী শিক্ষক পদৰ বাবে পাৰাংগত ডিগ্ৰীৰ অৰ্হতা নিৰ্ধাৰণ কৰিছে। এই পদসমূহত নিযুক্তিৰ বাবে আবেদন জনোৱা প্ৰাৰ্থীসকলে জনোৱা আবেদনত যদি কিবা আসোঁৱাহ থাকি যায় তেন্তে অনলাইনৰ জৰিয়তে অহা ২২ৰ পৰা ৩০ নৱেম্বৰৰ মাজনিশালৈ শুধৰণিৰ সুবিধা পাব।

০০০০০০

পবিতৰা অভয়াৰণ্যত আজিৰে পৰা ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে হাতী ছাফাৰী আৰম্ভ কৰা হৈছে। এই সন্দৰ্ভত আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনৰ প্ৰতিবেদন-

**ভইচ কাষ্ট (ডালিম ফুকন)**

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যৰ জ্যোতি শিক্ষাকেন্দ্ৰসমূহত ১০ বছৰৰ অধিক কাল কৰ্মৰত শিক্ষা কৰ্মীসকলক পে' স্কেল প্ৰদান সন্দৰ্ভত বিবেচনা কৰিবলৈ সৰ্বশিক্ষা অভিযানক নিৰ্দেশ দিছে। ১০৫ গৰাকী ব্যক্তিয়ে দাখিল কৰা লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ এখন বিচাৰপীঠে শিক্ষা কৰ্মীসকলৰ বিষয়টো বিবেচনা কৰিবলৈ নিৰ্দেশ দিছে। আনহাতে আবেদনকাৰীসকলক ২০১৭ চনৰ ৰীট আবেদন সন্দৰ্ভত খণ্ড বিচাৰপীঠে দিয়া ৰায় সংলগ্ন কৰি সৰ্বশিক্ষাৰ ওচৰত ব্যক্তিগতভাৱে আবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিছে। অহা দুমাহৰ ভিতৰত তেওঁলোকে সৰ্বশিক্ষাত এই আবেদনসমূহ দাখিল কৰিব লাগিব। ইপিনে সৰ্বশিক্ষাই এই আবেদনসমূহ এমাহৰ ভিতৰত নিষ্পত্তি কৰিব লাগিব। উল্লেখযোগ্য যে আবেদনকাৰীসকল কামৰূপ মহানগৰ জিলাৰ অনাআৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰসমূহত নিজা স্বেচ্ছাসেৱক আৰু অতিৰিক্ত স্বেচ্ছাসেৱক হিচাপে কৰ্মৰত হৈ আছে। ২০০৩-০৪ চনৰ পৰা তেওঁলোকক চাকৰিত নিয়োগ কৰা হৈছিল।

০০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আৰু অসম বিশ্ববিদ্যালয় ডিফুৰ ৰাজনীতি বিভাগৰ সহযোগত দুদিনীয়াকৈ আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ কালি সন্ধিয়া সামৰণি পৰে। ছিকিমৰ বিশিষ্ট পৰিৱেশকৰ্মী ছ'নাম ৱাংচুকে উদ্বোধন কৰা এই আলোচনাচক্ৰত ষষ্ঠ অনুসূচী সম্পৰ্কে বহুলভাৱে আলোচনা কৰা হয়। উল্লেখযোগ্য যে ষষ্ঠ অনুসূচী সম্পূৰ্ণ হোৱা উপলক্ষে ৭৫ সংখ্যক এই ৰাষ্ট্ৰীয় আলোচনাচক্ৰখনৰ আয়োজন কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ অহা বিশিষ্ট শিক্ষাবিদ আৰু অধ্যাপকসকলে ষষ্ঠ অনুসূচী সন্দৰ্ভত আলোচনাৰ বাবে নিজ নিজ প্ৰতিবেদন দাখিল কৰে। ৰমন মেগচেছে বঁটাপ্ৰাপক ছ'নাম ৱাংচুকে পাহাৰীয়া জিলাখনৰ দুয়োখন স্বায়ত্তশাসিত পৰিষদৰ শাসন প্ৰণালী আৰু ক্ষমতা সম্পৰ্কে অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰা বুলি মন্তব্য কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী ৱাংচুকে এইদৰে কয়-

**বাইট (ছ'নাম ৱাংচুক)**

০০০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে আজি গোৱালপাৰা জিলাতো

অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিদ্যালয়ত সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হ'ব। আনহাতে শিশু দিৱসৰ লগত সংগতি ৰাখি অসম বুক অৱ ৰেকৰ্ডছৰ ব্যৱস্থাপনাত আজি গোৱালপাৰা মহাবিদ্যালয়ৰ খেলপথাৰত ১৫৩গৰাকী ছাত্ৰ-ছাত্ৰীৰ সহযোগত ১৫০ ফুট দৈৰ্ঘ্যৰ চিত্ৰপটত অসমৰ লোক-সংস্কৃতি বাদ্যযন্ত্ৰ আৰু অসমৰ জনগোষ্ঠীয় লোকনৃত্যৰ বিষয়ত চিত্ৰ অংকনৰ আয়োজন কৰা হৈছে।

০০০০০০

অসমৰ ক্ৰীড়া ইতিহাসৰ সবাতোকৈ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ কালিৰে পৰা ৰাজ্যজুৰি আৰম্ভ হৈছে। তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ মঞ্চ হিচাপে গ্ৰহণ কৰা এই প্ৰতিযোগিতাত ৭টা শাখাত প্ৰায় ৬৪ লাখ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। খেল মহাৰণ উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপে অসমৰ বিশাল ক্ৰীড়া সম্ভাৱনা বৃদ্ধিৰ লগতে ক্ৰীড়া সংস্কৃতি বিকাশত পুনৰ এক নতুনত্বৰ সূচনা কৰিব।

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জিলাখনত আজিৰে পৰা খেল মহাৰণ দ্বিতীয়ৰ পঞ্চায়ত পৰ্যায়ৰ প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছে বুলি জনাইছে। জিলাখনত চুকে-কোণে থকা প্ৰতিভাসম্পন্ন খেলুৱৈসকলক উলিয়াই অনাৰ বাবে জিলা প্ৰশাসনে চেষ্টা চলাব। এই প্ৰতিযোগিতাত জিলাখনৰ প্ৰায় আঢ়ৈ লাখ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। আজিৰে পৰা আৰম্ভ হোৱা পঞ্চায়ত পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ অহা ২২ নৱেম্বৰলৈ চলিব।

ইপিনে উপ-নিৰ্বাচন উপলক্ষে নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকা নগাঁও, বিশ্বনাথ, বঙাইগাঁও, চিৰাং আৰু কাছাৰ জিলাত অনুষ্ঠিত হ'বলগীয়া জি পি, ইউ এল বি, ৱাৰ্ড, ভি চি ডি চি আৰু এম এ চি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ অহা ১৬ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত অহা ১৬ নৱেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ঠ চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতুপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০

ব্ৰিটিছ উপন্যাসিক ছামান্থা হাৰ্ভেলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে। মহাকাশচাৰীৰ কক্ষপথত এদিনৰ অভিজ্ঞতাক লৈ ৰচনা কৰা বৈজ্ঞানিক কল্প কাহিনীৰে সমৃদ্ধ **দা অৰবিটেল** নামৰ উপন্যাসখনৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। ৪৮ বছৰীয়া উপন্যাসিকগৰাকীৰ **দা অৰবিটেল** সপ্তমখন উপন্যাস।ব্ৰিটেইন আৰু আয়াৰলেণ্ডত প্ৰকাশিত ইংৰাজী উপন্যাসৰ মাজত শ্ৰেষ্ঠ উপন্যাসক প্ৰতিবছৰে বুকাৰ বঁটা প্ৰদান কৰি অহা হৈছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ইটালি, ইংলেণ্ড আৰু জাপানৰ ৬ গৰাকীকৈ মহাকাশচাৰীয়ে ২৪ ঘণ্টাৰ ভিতৰত ১৬ টা সূৰ্যোদয় আৰু সূৰ্যাস্ত প্ৰত্যক্ষ কৰাৰ অভিজ্ঞতাক লৈ ছামান্থা হাৰ্ভেই এই উপন্যাসখন ৰচনা কৰিছিল।

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত কালি অনুষ্ঠিত হোৱা উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্দৰ্ভত প্ৰস্তুত কৰা বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে **বিক্ষিপ্ত ঘটনাৰ মাজেৰে ৰাজ্যৰ পাঁচ সমষ্টিত উপ-নিৰ্বাচনৰ ভোট সম্পন্ন বিয়লি পাঁচ বজালৈ ৭৫ শতাংশ ভোটদান**, দৈনিক জনমভূমি কাকতে -**উপ নিৰ্বাচন-পাঁচ সমষ্টিত ৭৪ শতাংশ ভোটদান**, অসমীয়া খবৰ কাকতে-**৭৩ শতাংশ ভোটদানেৰে পাঁচ সমষ্টিত অগ্নিপৰীক্ষা**, নিয়মীয়া বাৰ্তা কাকতে-**পাঁচ সমষ্টি বহু চৰ্চিত উপ নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন, চাৰি সমষ্টিত শান্তিপূৰ্ণ ভোট, উত্তপ্ত চামগুৰি**, দৈনিক অসম কাকতে-**ৰাজ্যৰ পাঁচ সমষ্টিৰ উপ-নিৰ্বাচন শান্তিপূৰ্ণ**, আমাৰ অসম কাকতে-ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ নিৰ্বাচনত ভোটাৰৰ সঁহাৰি,৭৫শতাংশৰ ভোটদান, The Sentinel কাকতে Bye-poll turnout nearly 73%' fate of 34 candidates sealed in EVMS, The Assam Tribure কাকতে Byepolls-Over 72% turnout in 5 State Assembly Seats শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অসম কাকতে **উপ নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাতৰিটোৰ লগতে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে অসম প্ৰদেশ ৰাজ্যিক বিজেপিয়ে পৰিকল্পনা** যুগুত কৰাৰ বাতৰিটোও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম, অসমীয়া খবৰকে ধৰি কেইবাখনো কাকতে-**বিভিন্ন ৰাজ্যত গা কৰি উঠা বুলড'জাৰ ন্যায় সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায় সন্দৰ্ভত** এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অগ্ৰদূত কাকতে-**ৰাস মহোৎসৱৰ বাবে ৰাজ্যজুৰি চলা প্ৰস্তুতিৰ সন্দৰ্ভত** এটা বাতৰিৰ উপৰি ব্ৰিটিছ উপন্যাসিক ছামান্তা হাৰ্ভেলৈ চলিত বৰ্ষৰ বুকাৰ বঁটা আগবঢ়োৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিনকে ধৰি আন কেইবাখনো কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

The Assam Tribune কাকতে Ulfa (I) getting active, may launch fresh attacks,The Sentinel কাকতে Cabinet panel t examine holidays list বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

তিনিচুকীয়া আৰক্ষী প'ক'চ গোচৰৰ ক্ষীপ্ৰ তদন্ত কৰি সফলতা অৰ্জন কৰাৰ বাবে দুগৰাকী মহিলা আৰক্ষী বিষয়া লবিতা দাস আৰু গৌৰী কমল হাজৰিকাক অভিনন্দন জ্ঞাপন কৰিছে। গোচৰ উপ-পৰিদৰ্শক দুগৰাকীয়ে কৰা তিনিচুকীয়া জিলাৰ বৰডুবি আৰক্ষী থানা আৰু তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ গোচৰৰ তদন্তৰ ভিত্তিত দোষীয়ে শাস্তি লাভ কৰে। বৰডুবিৰ গোচৰৰ দোষীয়ে ২০ বছৰ কাৰাদণ্ড লাভ কৰাৰ লগতে তিনিচুকীয়া সদৰ আৰক্ষী থানাত ৰুজু হোৱা গোচৰৰ দোষীয়ে ৫ বছৰৰ কাৰাদণ্ড লাভ কৰে।

০০০০০

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্তৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ বৈঠকখন কালি অনুষ্ঠিত হয়। সভাত জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। সভাত কৃষি, মীন, জলসম্পদ, লোকনিৰ্মাণ, পৰিবহণ, শক্তি, খাদ্য আৰু অসামৰিক যোগান, জনস্বাস্থ্য

কাৰিকৰী, শ্ৰম, পশুপালন, জলসিঞ্চন, আবকাৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভিন্ন বিভাগৰ কাম-কাজৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ মুৰববী বিষয়াসকলৰ লগত বিতংভাৱে আলোচনা কৰে। তদুপৰি বিভাগীয় বিষয়াসকলে নিজৰ বিভাগীয় কাম-কাম অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। তদুপৰি জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ সকলো বিষয়া-কৰ্মচাৰীয়ে চৰকাৰী নিয়ম অনুসৰি পুৱা চাৰে ৯ বজাত উপস্থিত হৈ কাৰ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ সন্দৰ্ভত বুজ লয়।

০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু অসম মৰাণ সভাৰ যৌথ উদ্যোগত আৰু মৰাণ জনজাতি আটাইকেইটা সংগঠনৰ সহযোগত অহা ১৯ আৰু ২০ নৱেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বীৰ ৰাঘৱ মৰাণ দিৱস আয়োজনৰ প্ৰস্তুতি চলাইছে। তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ সমীপৰ কাকজানত এইবাৰ বীৰ ৰাঘৱ মৰাণ দিৱস ২০২৪ৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

দক্ষিণ আফ্ৰিকাৰ ছুপাৰস্প'ৰ্ট উদ্যানত অনুষ্ঠিত টি টুৱেন্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগীতাৰ চাৰিখনীয়া শৃংখলাৰ তৃতীয়খন খেলত কালি নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ১১ৰাণত পৰাজিত কৰে। ভাৰতে এই জয়ৰ পাছত চাৰিখনীয়া শৃংখলাত ২-১ ফলাফলত অগ্ৰগতি লাভ কৰিছে। খেলখনত ভাৰতে ২২০ ৰানৰ বিজয় লক্ষ্য বান্ধি দিছিল। ইয়াৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত বিশ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০৮ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে আয়োজক দলটোৱে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত বিশ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১৯ ৰান সংগ্ৰহ কৰে। খেলখনত তিলক বৰ্মাই ৫৬টা বলত ১০৭ ৰান আৰু অভিষেক শৰ্মাই ২৫টা বলত ৫০ ৰান সংগ্ৰহ কৰে। আয়োজক দলটোৰ হৈ এণ্ডিলে ছিমেলানে আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মাৰ্কো জান্সেনে এটা উইকেট দখল কৰে। ভাৰতৰ হৈ আৰ্শদীপ সিঙে ৩টা, বৰুণ চক্ৰৱৰ্তীয়ে দুটা, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে এটাকৈ উইকেট দখল কৰে। তিলক বৰ্মাক প্লেয়াৰ অফ দা মেটচ সন্মান প্ৰদান কৰা হয়। শুকুৰবাৰে জোহান্সবাৰ্গৰ ৱাণ্ডাৰাৰছ ষ্টেডিয়ামত শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত